ইয়াৰ দ্বাৰা জনোৱা হ'ল যে আগন্তুক 75 সংখ্যক স্বাধীনতা দিৱস উপলক্ষে জিলা আইন সেৱা প্ৰাধিকাৰী, বৰপেটাৰ তৰফৰ পৰা এখন অনলাইন চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। উক্ত প্ৰতিযোগিতা খনত বৰপেটা জিলাৰ অন্তৰ্গত সমূহ শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী সকলে অংশগ্ৰহন কৰিব পাৰিব। অংশগ্ৰহনকাৰী সকলে নিজৰ দ্বাৰা অংকিত চিত্ৰ সমূহ জিলা আইন সেৱা প্ৰাধিকাৰী, বৰপেটাৰ ই-মেইল (email) **barpeta.dlsa@gmail.com** ত পি.ডি.এফ (pdf) কৰি পঠাব পাৰিব। অংকন কৰা চিত্ৰ সমূহ পঠোৱাৰ শেষ তাৰিখ হ'ল **10-08-2021** আবেলি 3বজা পৰ্যন্ত। নিৰ্দিষ্ট সময়ৰ পিছত পঠোৱা চিত্ৰ প্ৰতিযোগিতাৰ কাৰনে বিবেচিত নহ'ব। প্ৰতিযোগী সকলে অংকন কৰা চিত্ৰ সমূহৰ লগত নিজৰ নাম , শিক্ষানুষ্ঠানৰ নাম আৰু নিজ শিক্ষানুষ্ঠানৰ বৰ্তমানৰ প্ৰযোজ্য নিজৰ পৰিচয় পত্ৰ , নিজৰ অভিভাৱকৰ নাম, ঠিকনা আৰু ফোন নং পঠাই দিব লাগিব।

**<u>প্ৰতিযোগিতাৰ বিষয় বস্তু আৰু শ্ৰেণী সমূহ ঃ</u>**

ক। পঞ্চম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণী - ভাৰতৰ স্বাধীনতা সংগ্ৰাম ।

খ। নৱম শ্ৰেণীৰ পৰা দশম শ্ৰেণী - ভাৰতৰ মহাকাশ যাত্ৰা।

গ। একাদশ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণী (প্ৰথম বাৰ্ষিক, দ্বিতীয় বাৰ্ষিক) - ভাৰতৰ অলিম্পিক বিজয়ী সকল।

চিত্ৰাংকন প্ৰতিযোগিতা খনৰ বিজয়ী সকলক আগন্তুক স্বাধীনতা দিৱসৰ দিনা জিলা আৰু সত্ৰ ন্যায়াধীশৰ কাৰ্য্যালয়ৰ চৌহদত পুৰস্কৃত কৰা হ'ব। এই ক্ষেত্ৰত সকলো ধৰনৰ কভিড বিধি মানি চলাতো বাধ্যতামূলক। সকলো ধৰনৰ চিত্ৰাংকন গ্ৰহন কৰা হ'ব। উদাহৰন স্বৰূপে পেঞ্চিল চেডিং, অইল পেইন্টিং, ৱাটাৰ কালাৰ ইত্যাদি।

সকলো ক্ষেত্ৰত জিলা আইন সেৱা প্ৰাধিকাৰী, বৰপেটাৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব।

(ইচ্ছুক প্ৰতিযোগী সকলক চিত্ৰ পঠিওৱাৰ ক্ষেত্ৰত উন্নত মানদণ্ডৰ কাৰিকৰী সজুলি ব্যৱহাৰ কৰিবলৈ অনুৰোধ কৰা হ'ল)

অধিক তথ্য জানিবৰ বাবে 60267-35350 নম্বৰত যোগাযোগ কৰিব পাৰে ।

District Legal Services Authority, Barpeta